**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-12-2024
**Time :** 1340 Hrs

***Assamese Midday Bulletin***
***Headlines***

-----------------------

১। বিজেপিৰ সাংসদ নিশিকান্ত ডুবেই ৰাহুল গান্ধী আৰু কংগ্ৰেছৰ অন্য নেতাসকলৰ বিৰুদ্ধে উত্থাপন কৰা অভিযোগক লৈ বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ বাবে লোকসভাৰ কাৰ্যক্ৰমণিকা আজি দিনটোৰ বাবে স্থগিত ৰখা হয়।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয়, যে এগৰাকী ব্যক্তিৰ সৰ্বতোপ্ৰকাৰৰ বিকাশৰ বাবে শিক্ষাই হৈছে একমাত্ৰ পথ।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত অষ্টলক্ষ্মী মহোৎসৱ মুকলি কৰিব।

৪। বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কয়, যে অনাগত সময়ত উত্তৰ-পূব ভাৰত দক্ষিণ-পূব এছিয়াৰ উন্নয়নৰ কেন্দ্ৰ হোৱাৰ সম্ভাৱনা আছে।

*আৰু*

৫। বোৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীৰ দ্বিতীয়খন টেষ্টৰ প্ৰথমটো শৃংখলাত ভাৰতে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে আমালৈ বাতৰি অহা পৰলৈকে ৮ উইকেটৰ বিনিময়ত ১৪১ ৰান কৰি খেলি আছে।

oooooo

বিজেপিৰ সাংসদ নিশিকান্ত ডুবেই ৰাহুল গান্ধী আৰু কংগ্ৰেছৰ অন্য নেতাসকলৰ বিৰুদ্ধে উত্থাপন কৰা অভিযোগক লৈ বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ বাবে লোকসভাৰ কাৰ্যক্ৰমণিকা আজি দিনটোৰ বাবে স্থগিত ৰখা হয়। শূন্যকালত শ্ৰী ডুবেই আমেৰিকা যুক্তৰাষ্ট্ৰস্থিত এগৰাকী বিনিয়োগকাৰী, বিদেশী সংবাদ মঞ্চ আৰু কংগ্ৰেছে ভাৰতৰ সাফল্য গাঁথা বিঘ্নিত কৰাৰ চেষ্টা চলোৱা বুলি পুনৰায় অভিযোগ উত্থাপন কৰে। অধ্যক্ষই বিজেপি সাংসদসকলক বক্তব্য ৰখাৰ অনুমতি প্ৰদান কৰাত কংগ্ৰেছৰ নেতৃত্বত বিৰোধী দলসমূহে সদন উত্তাল কৰি তোলে। ফলত সদনৰ কামকাজ দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত কংগ্ৰেছকে ধৰি বিৰোধী পক্ষৰ সদস্যসকলে অশান্ত পৰিস্থিতিৰ সৃষ্টি কৰে। নিম্ন সদনৰ অধ্যক্ষ ওম বিৰলাই সদস্য সকলক প্ৰশ্নকালৰ কামকাজ চলাই নিয়াত সহায় কৰিবলৈ অনুৰোধ জনায় যদিও সদস্যসকলে তেওঁৰ অনুৰোধৰ প্ৰতি কাণসাৰ নিদিয়ে। এনে হুলস্থুলীয়া পৰিস্থিতিৰ মাজতে শ্ৰী বিৰলাই সদন পৰিচালনাৰ নিয়ম অনুসৰি কামকাজ চলিব বুলি মন্তব্য কৰে। তাৰ পাছতো অশান্ত পৰিস্থিতি শাম নকতাত অধ্যক্ষই সদনৰ কাৰ্যক্ৰমণিকা দিনৰ ১২ বজালৈ স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

oooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয়, যে এগৰাকী ব্যক্তিৰ সৰ্বতোপ্ৰকাৰৰ বিকাশৰ বাবে শিক্ষাই হৈছে একমাত্ৰ পথ। তেওঁ কয়, যে নিয়োগ লাভ কৰাটোৱে কেৱল শিক্ষাৰ লক্ষ্য হোৱা উচিত নহয় বৰং শিক্ষাৰ্থীসকলে শিক্ষাৰ পৰা বহুল জ্ঞান আহৰণ কৰাটোহে প্ৰয়োজন। ওড়িশাৰ ময়ুৰভাঞ্জ জিলাৰ উপৰবেদ চৰকাৰী উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি দিয়া ভাষণত ৰাষ্ট্ৰপতিগৰাকীয়ে এনেদৰে কয়। শ্ৰীমতী মুৰ্মু পাঁচ দিনীয়া ভ্ৰমণসূচীৰে ওড়িশালৈ গৈছে। ভ্ৰমণৰ অংশ হিচাপে কাইলৈ তেওঁ তিনিটা ৰে'ল লাইন উদ্বোধন কৰিব। তদুপৰি তেওঁ ৰাজ্যখনত ৰায়ৰংপুৰ জনজাতি গৱেষণা কেন্দ্ৰৰ আধাৰশিলাও স্থাপন কৰিব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত অষ্টলক্ষ্মী মহোৎসৱ মুকলি কৰিব। তিনিদিনীয়াকৈ হ'বলগীয়া এই মহোৎসৱত উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ সংস্কৃতি, চহকী বস্ত্ৰশিল্প, শিল্পকলা আৰু পৰ্যটনৰ প্ৰদৰ্শন কৰা হ'ব। অষ্টলক্ষ্মীৰূপে পৰিচিত উত্তৰ-পূৰ্বাঞ্চলৰ অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ছিক্কিম আৰু ত্ৰিপুৰাই দেশৰ সামাজিক, সংস্কৃতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। এই মহোৎসৱত ২৫০ গৰাকীতকৈ অধিক শিল্পীয়ে হস্তশিল্প, বস্ত্ৰ আৰু কৃষি তথা উদ্যান শস্যৰ জি আই টেগ লাভ কৰা ৩৪ বিধ সা-সামগ্ৰীকে ধৰি বিভিন্ন সামগ্ৰী প্ৰদৰ্শন কৰিব। এই অনুস্থানৰ সৈতে সংগতি ৰাখি ফেশ্বন শ্ব', ক্ৰেতা-বিক্ৰেতাৰ সন্মিলন আদিৰো আয়োজন কৰা হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ ৩২০ গৰাকী কৃষক আৰু শিল্পীৰ সা-সামগ্ৰী প্ৰদৰ্শন হ'বলগীয়া গ্ৰাম্য হাট বজাৰ এই মহোৎসৱৰ বিশেষ আকৰ্ষণ। উল্লেখযোগ্য যে, এই মহোৎসৱে উত্তৰ-পূৰ্বাঞ্চলৰ শিল্পী, উদ্যোগীসকলক নতুন সুযোগ প্ৰদান কৰিব।

০০০০০০

ভাৰতীয় সংবিধানৰ প্ৰণেতা ভাৰত ৰত্ন ড০ বি আৰ আম্বেদকাৰৰ ৬৮ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে আজি মহাপৰিনিৰ্বান দিৱস পালন কৰা হৈছে। এই বিশেষ দিনটোত ৰাষ্ট্ৰই তেওঁৰ শিকনিৰাজীক এখন ন্যায় সংগত আৰু সৰ্বাত্মক সমাজ গঢ়াৰ প্ৰতিশ্ৰুতিবদ্ধতাত গুৰুত্ব আৰোপ কৰি সংবিধান প্ৰণেতাগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে।

মহাপৰিনিৰ্বান দিৱসৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰ গঠনৰ ক্ষেত্ৰত বাবা চাহেব আম্বেদকাৰৰ অৱদানৰ বিষয়ে আলোকপাত কৰাৰ উদ্দেশ্যে দেশজুৰি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা আৰু কেইবাগৰাকী সাংসদ তথা অন্যান্য বিষয়ববীয়াই ভাৰতীয় সংবিধানৰ ৰূপকাৰ আম্বেদকাৰৰ স্মৃতিত নতুন দিল্লীত সংসদ ভৱনৰ প্ৰেৰণা স্থলত শ্ৰদ্ধা জ্ঞাপন কৰে।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিংতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০

বন্দৰ, জাহাজ আৰু জলপথ মন্ত্রী সর্বানন্দ সোণোৱালে আজি কয়, যে অনাগত সময়ত উত্তৰ-পূব ভাৰত দক্ষিণ-পূব এছিয়াৰ উন্নয়নৰ কেন্দ্র হোৱাৰ সম্ভাৱনা আছে। নতুন দিল্লীত **উত্তৰ-পূর্বাঞ্চলক সৰলীকৰণ-পৰিৱৰ্তনশীল দশকৰ দিশত আত্মনির্ভৰ ভাৰত**- বিষয়ক এখন সংবাদমেল সম্বোধন কৰি শ্রী সোণোৱালে কয়, যে চৰকাৰৰ এক্টইষ্ট নীতি কার্যকৰী কৰাৰ ক্ষেত্রত উত্তৰ-পূব ভাৰতৰ এটা মুখ্য ভূমিকা আছে। চৰকাৰে তৃণমূল পর্যায়ত গ্রহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰি মন্ত্রীগৰাকীয়ে কয়, যে বিগত ১০ বছৰত প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে ৬০ বাৰতকৈও বেছি উত্তৰ-পূর্বাঞ্চল ভ্রমণ কৰিছে। অন্যহতে প্রতি ১৫ দিনৰ মূৰে মূৰে বিভিন্ন কেন্দ্রীয় মন্ত্রীয়ে উত্তৰ-পূর্বাঞ্চল ভ্রমণ কৰি আহিছে। তেওঁ লগতে কয়, যে এই পদক্ষেপে জনসাধাৰণক সৰলীকৰণ কৰাৰ লগতে অঞ্চলটোলৈ শান্তি আৰু স্থিৰতা আনিছে। শ্রী সোণোৱালে আৰু কয়, যে বিকশিত ভাৰত ২০৪৭ৰ অভিযান বাস্তৱ কৰাৰ লগতে আত্মনির্ভৰ ভাৰত গঢ়ি তোলাৰ ক্ষেত্রত উত্তৰ-পূর্বাঞ্চলে মুখ্য ভূমিকা গ্রহণ কৰিব। শ্রী সোণোৱালে লগতে ভাৰতীয় সংবিধানৰ প্রণেতা ড০ বি আৰ আম্বেদকাৰৰ ৬৯ সংখ্যক মৃত্যু বার্ষিকীত তেওঁৰ প্রতি শ্রদ্ধাঞ্জলি জ্ঞাপন কৰে।

০০০০০০

কেন্দ্রীয় যুৱ পৰিক্রমা আৰু ক্রীড়া মন্ত্রী ডং মনসুখ মন্দাভিয়াই চলিত বিকশিত ভাৰত কুইজ প্রতিযোগিতাত অংশগ্রহণ কৰাৰ সময়সীমা অহা ১০ ডিচেম্বৰলৈ বৃদ্ধি কৰা হৈছে বুলি ঘোষণা কৰিছে। যুৱক-যুৱতীসকলে এই কুইজ প্রতিযোগিতাত ভাগ লোৱাৰ বাবে মাই ভাৰত প্লেটফর্ম চাব পাৰে। উল্লেখযোগ্য যে, ১৫ৰ পৰা ২৯ বছৰ বয়সৰ সকলো যুৱক-যুৱতীয়ে এই প্রতিযোগিতাত ভাগ লৈ বিকশিত ভাৰতৰ বাবে নিজৰ ধাৰণাসমূহ প্রকাশ কৰিব পাৰে। এই প্রতিযোগিতাত বিজয়ীসকলে নতুন দিল্লীৰ ভাৰত মণ্ডপমত অহা ১১ আৰু ১২ জানুৱাৰীত হ'বলগীয়া অনুষ্ঠানত প্রধানমন্ত্রী নৰেন্দ্র মোদীৰ সৈতে বিকশিত ভাৰত সন্দর্ভত থকা নিজৰ ধাৰণাসমূহৰ বিষয়ে মত বিনিময় কৰিব পাৰে।

০০০০০০

সমগ্র দেশত আজি গুৰু টেগ বাহাদুৰৰ ৩৪৯ সংখ্যক শ্বহীদ দিৱস পালন কৰা হৈছে। এই উপলক্ষে অমৃতসৰ ধৰি দেশৰ বিভিন্ন প্রান্তৰ গুৰুদ্বাৰসমূহত বিশেষ প্রার্থনাৰ আয়োজন কৰা হৈছে। ভক্তসকলে প্রার্থনাত অংশগ্রহণ কৰি গুৰু টেগ বাহাদুৰলৈ শ্রদ্ধাঞ্জলি জ্ঞাপন কৰিছে। ঠায়ে ঠায়ে লংগৰৰো আয়োজন কৰা হৈছে।

০০০০০০

সমগ্র দেশতে যক্ষ্মা ৰোগৰ প্রাদুর্ভাব আৰু মৃত্যুৰ সৈতে মোকাবিলা কৰিবলৈ কাইলৈ হাৰিয়ানাৰ পঞ্চকুলাত কেন্দ্রীয় স্বাস্থ্য আৰু পৰিয়ালকল্যাণ মন্ত্রী জে পি নাড্ডাই ১০০ দিনীয়া কার্যসূচীৰে এটা অভিযান আৰম্ভ কৰিব। অনুষ্ঠানত হাৰিয়ানাৰ মুখ্যমন্ত্রী আৰু স্বাস্থ্য মন্ত্রী আৰ টি সিং ৰাও উপস্থিত থাকিব। এই অভিযানে ৩৩ খন ৰাজ্য আৰু কেন্দ্রীয় শাসিত অঞ্চলৰ ৩৪৭ খন জিলাক সামৰি ল'ব। যক্ষ্মা ৰোগৰ প্রাদুর্ভাব হ্রাস কৰা নিদানমূলক ব্যৱস্থা আৰু মৃত্যুৰ হাৰ হ্রাস কৰাটোৱেই এই অভিযানৰ মূল লক্ষ্য।

০০০০০০

আজিৰে পৰা কেন্দ্রীয় শাসিত প্রদেশ পুডুচেৰীত দ্বাদশ আন্তঃৰাষ্ট্রীয় তথ্যচিত্র আৰু চুটী ছবি মহোৎসৱ আৰম্ভ হ'ব। তিনিদিনীয়া এই মহোৎসৱত দেশ-বিদেশৰ মুঠ ৩৫ খন নির্বাচিত তথ্য চিত্র আৰু চুটী ছবি প্রদর্শন কৰা হ'ব।

ভাৰতৰ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ উন্নয়ন নিগমৰ সহযোগিতাত পুডুচেৰী বিশ্ববিদ্যালয়ৰ ইলেকট্ৰনিকছ্ আৰু জনসংযোগ বিভাগৰ উদ্যোগত আয়োজিত এই মহোৎসৱত তামিলনাডু, প্ৰগতিশীল লেখক সমাজ আৰু পুডুচেৰী চলচ্চিত্ৰ সংঘয়ো সহযোগিতা আগবঢ়াইছে।

oooooo

এডেলেইডত অনুষ্ঠিত ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত বোৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীৰ দ্বিতীয়খন টেষ্টৰ প্ৰথমটো ইনিংছত ভাৰতে আমালৈ বাতৰি অহা পৰলৈকে ৮ উইকেটৰ বিনিময়ত ১৪১ ৰান কৰি খেলি আছে। ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয়। ৰোহিত শৰ্মা, সুভমন গীল আৰু ৰবিচন্দ্ৰন অশ্বিনে দললৈ প্ৰত্যাৱৰ্তন কৰিছে। পাৰ্থত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে অষ্ট্ৰেলিয়াক ২৯৫ ৰাণৰ বৃহৎ ব্যৱধানত পৰাজিত কৰিছিল। এই জয়ৰ সুবাদত ভাৰত আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ তালিকাত শীৰ্ষ স্থানত আছে।

oooooo

মানামাৰ বাহৰেনত আজিৰ পৰা চলিত বৰ্ষৰ বিশ্ব ভাৰোত্তলন প্ৰতিযোগিতা আৰম্ভ হ'ব। ৩ গৰাকী মহিলা ভাৰতীয় ভাৰোত্তলকে এই প্ৰতিযোগিতাত ভাগ ল'ব। অৱশ্যে পুৰুষ শাখাত এই বছৰ কোনো ভাৰতীয় খেলুৱৈয়ে অংশগ্ৰহণ কৰা নাই। অলিম্পিকৰ পদক বিজেতা মীৰাবাই চানু এই প্ৰতিযোগিতাত ভাগ লোৱা নাই। চানুৰ অনুপস্থিতিত জ্ঞানেশ্বৰী য়াদৱে মহিলাৰ ৪৯ কিলোগ্ৰাম শাখাত ভাৰতক প্ৰতিনিধিত্ব কৰিব। প্ৰতিযোগিতাৰ এই শাখাৰ গ্ৰুপ-এত স্থান লাভ কৰা জ্ঞানেশ্বৰী হৈছে একমাত্ৰ ভাৰতীয় ভাৰোত্তলক। কমনৱেলথ পদক বিজয়ী বিন্দিয়াৰাণী দেৱীয়ে মহিলাৰ ৫৫ কিলোগ্ৰাম শাখাৰ গ্ৰুপ-বিত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। আনহাতে দিতীমণি সোণোৱালে ৬৪ কিলোগ্ৰাম শাখাৰ গ্ৰুপ-চিত খেলিব।

oooooo

সমাপ্ত